# কেনে আছোঁ মোক নুসুধিবা

নীলমণি ফুকন

কেনে আছোঁ মোক নুসুধিবা
ময়ো মোক সোধা নাই
কলঙেদি উটি আহে মুণ্ডহীন
এজনী ছোৱালী
যোৱা ৰাতি মই কি আছিলোঁ
ৰজা সন্ন্যাসী কৃষক শ্ৰমিক
প্ৰেমিক নক্সাল কবি
চিকাৰৰ পিছত পানী বিচাৰি
ফুৰা এটি বাঘ
কি আছিলোঁ পাহৰিলোঁ
কেনে আছোঁ মোক নুসুধিবা
মইতো অকলশৰীয়া নহয়
কাৰণ সেই শেষ ভোজনৰ পিছতো
বিদায় দিব নোৱাৰিলোঁ
বিদায় ল'ব নোৱাৰিলোঁ
আউচভিৎছৰ পিছৰে পৰা মই
ইঁহা নাই
কন্দাও নাই
কাৰণ যাওঁ ক'লৈ

ক'ৰপৰা আহিছিলোঁ পাহৰিলোঁ

তেজ বঁতিয়াই জীয়াই থাকে দিন

কাৰণ হাড়-মূৰবোৰে আবেলিৰ

আলিবাটেৰে

কাঠ হাঁহি মাৰি যায়

কাৰণ দোকানৰ শ্বো-কেচত

ৰতিক্ৰিয়াত মত্ত এহাল কুকুৰ

কঁকালত পুৰুষালিঙ্গৰ মালা পিন্ধি

ভূতনাথত অন্ধ কালী

কাৰণ সকলোৰেই এটা ভয়

মৰা মানুহবোৰৰো

ক'বনে নক'ব কৰিবনে নকৰে

খিৰিকী খুলিবনে দুৱাৰ

কাৰণ তেতিয়াৰে পৰা বৈ বৈ

মিছা ফাকি ভাও ভুৱা জালিয়াতি

যৌৱন দয়ালু নিৰ্দয়।

কেনে আছোঁ মোক নুসুধিবা

কাৰণ আন্ধাৰ

এতিয়া সিও কঁপি উঠে

এতিয়া সিও জ্বলি উঠে

দুৰ্দশা দুৰ্দিন দুৰ্গতিৰ পিছে পিছে

মানুহৰ তেজৰ নিচান

কাৰণ পেণ্টৰ জেপত লৈ ফুৰোঁ

দুখন নিষিদ্ধ হাত

ৰঙা হৈ উৰি যোৱা এটা বুলেট

বুকুত

কাৰণ চৌদিশে মৌনতা শান্তিৰ

ভয়ঙ্কৰ আৱাজ

কেনে আছোঁ মোক নুসুধিবা

কলঙেদি উটি আহে মুণ্ডহীন

এজনী ছোৱালী

কাৰণ বিয়াল্লিছ ঘণ্টা মোৰ

মৃতদেহটো

গুৱাহাটীৰ পদপথত পৰি আছিল

কাৰণ এতিয়াও মই চকু মেলি আছোঁ

মোৰ মৃত্যুৱেও চকু মেলি আছে

কাৰণ খালে ডোঙে নৈয়ে বিলে

জাকি মাৰি মাছে

হেৰা মোৰ গম্ভীৰ গতিৰ

অশ্বাৰোহী